of an economy, with the extent to which its resources are employed, with the size of national income, with the general price level.")

এই সংজ্ঞা অনুসৰি, সমষ্টিগত অৰ্থবিজ্ঞানত অৰ্থনৈতিক চলকসমূহৰ প্ৰকৃতি আৰু প্ৰৱণতাৰ বিষয়ে আলোচনা কৰা হয়। ইয়াত অৰ্থনৈতিক বিষয়বোৰ বিশাল পৰিসৰত অধ্যয়ন কৰা হয়। অৰ্থনৈতিক জীৱনৰ সকলো দিশ (dimension) ইয়াত আলোচনা কৰা হয়। এখন হাবিৰ প্ৰতিজোপা গছৰ বিষয়ে পৃথক পৃথকভাৱে অধ্যয়ন কৰাৰ পৰিবৰ্তে হাবিখনৰ বিষয়ে সামগ্ৰিকভাৱে কৰা অধ্যয়ন সমষ্টিগত অৰ্থবিজ্ঞানৰ অন্তৰ্ভূক্ত।

2. হেনচেনৰ (Hansen) মতে, "সমষ্টিগত অৰ্থজ্ঞান হ'ল অৰ্থবিজ্ঞানৰ সেইটো শাখা বা বিভাগ য'ত নিয়োগৰ পৰিমাণ, সঞ্চয় আৰু বিনিয়োগৰ মুঠ পৰিমাণ, জাতীয় আয় আদি বিশাল সামগ্ৰিক গোটসমূহৰ মাজৰ সম্বন্ধ বিবেচনা কৰা হয় (Macroeconomics is that branch of Economics which considers the relationship between large aggregates such as the volume of employment, total amount of saving and investment, national income etc.)

এই সংজ্ঞা অনুসৰি, সমষ্টিগত অৰ্থবিজ্ঞানত অৰ্থনৈতিক চলকসমূহৰ প্ৰৱণতাৰ বিষয়ে আলোচনা কৰাৰ উপৰিও ইয়াত বিভিন্ন অৰ্থনৈতিক চলকসমূহৰ আন্তঃনিৰ্ভৰশীলতাৰ বিষয়ে অধ্যয়ন কৰা হয়। জাতীয় আয়ৰ পৰিৱৰ্তনে সাধাৰণ বাণিজ্যিক কাৰ্যকলাপৰ ওপৰত পেলোৱা প্ৰভাৱ, নিয়োগৰ মুঠ পৰিমাণ বৃদ্ধিয়ে দৰস্তৰৰ ওপৰত পেলোৱা প্ৰভাৱ, সঞ্চয় আৰু বিনিয়োগৰ পৰিমাণৰ পৰিৱৰ্তনে জাতীয় আয়ৰ ওপৰত পেলোৱা প্ৰভাৱ ইত্যাদিৰ অধ্যয়ন সমষ্টিগত অৰ্থবিজ্ঞানৰ অন্তৰ্ভূক্ত।

3. মেয়াৰৰ (Meyer) ৰ মতে, "সমষ্টিগত অৰ্থবিজ্ঞান হ'ল অৰ্থনৈতিক ৰাশিসমূহৰ সমগ্ৰ আৰু গড়ৰ প্ৰকৃতি, সমন্ধ আৰু আচৰণৰ অধ্যয়ন।" (Macro economics is the study of the nature, relationship and behaviour of aggregates and average of economic quantities.)

## 1.2. সমষ্টিগত অৰ্থবিজ্ঞানৰ বৈশিষ্ট্য (Characteristics of Macroeconomics) :

1. সমষ্টিগত অৰ্থবিজ্ঞানত এখন অৰ্থনীতিৰ বিষয়ে সামগ্ৰিকভাৱে অধ্যয়ন কৰা হয়। এই অৰ্থবিজ্ঞানত জাতীয় আয়, জাতীয় উৎপাদন, সাধাৰণ দৰস্তৰ, বণিজ্য চক্ৰ ইত্যাদি সমষ্টিগত চলকৰ বিষয়ে অধ্যয়ন কৰা হয়।
2. সমষ্টিগত অৰ্থবিজ্ঞানত সাধাৰণ ভাৰসাম্যতা (general equilibrium) ৰ বিষয়ে আলোচনা কৰা হয়।
3. এই অৰ্থবিজ্ঞান সমগ্ৰ অৰ্থনীতিৰ লগত জড়িত হোৱাৰ বাবে ই অধিক বাস্তৱসন্মত হয় আৰু ইয়ে এখন দেশৰ নীতি নিৰ্ধাৰণত যথেষ্ট সহায় কৰে।
4. সমষ্টিগত অৰ্থবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ ধাৰণা হ'ল জাতীয় আয়। ইয়াত জাতীয় আয়ৰ অৰ্থ, ইয়াৰ লগত জড়িত বিভিন্ন ধাৰণা, জাতীয় আয় গণনাৰ বিভিন্ন পদ্ধতি আৰু সমস্যা, সামাজিক হিচাপ ইত্যাদিৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়।
5. আধুনিক সমাজ ব্যৱস্থাত বিনিময়ৰ মাধ্যম হিচাপে কাৰ্য সম্পন্ন কৰা মুদ্ৰাৰ গুৰুত্ব আৰু তাৎপৰ্য অপৰিসীম। সমষ্টিগত অৰ্থবিজ্ঞানত মুদ্ৰাৰ বিভিন্ন কাৰ্য আৰু ইয়াৰ বিভিন্ন তত্ত্ব, বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ বিষয়ে অধ্যয়ন কৰা হয়।

6. এই অৰ্থবিজ্ঞানত সাধাৰণ দৰস্তৰৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। মুদ্ৰাস্ফীতি আৰু অৱস্ফীতি বিভিন্ন কাৰণ, ইয়াৰ তত্ত্ব, ইয়াৰ প্ৰতিকাৰমূলক ব্যৱস্থা ইত্যাদি সমষ্টিগত অৰ্থবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু।
7. সমষ্টিগত অৰ্থবিজ্ঞানত বিভিন্ন সমষ্টিগত অৰ্থনৈতিক চলকৰ পাৰস্পৰিক নিৰ্ভৰশীলতা বা সম্পৰ্কৰ ওপৰত ভিত্তি কৰি এখন অৰ্থনীতিৰ সামগ্ৰিক অৱস্থাৰ অধ্যয়ন কৰা হয়।

## 1.3. সমষ্টিগত অৰ্থবিজ্ঞানৰ প্ৰধান বিষয়বস্তু আৰু ইয়াৰ পৰিসৰ (Basic issues of Macro Economics and its scope) ঃ

সমষ্টিগত অৰ্থবিজ্ঞান হ'ল অৰ্থবিজ্ঞানৰ এক অন্যতম গুৰুত্বপূৰ্ণ বিভাগ। 1936 চনত অৰ্থনীতিবিদ জে. এম্ কেইন্সৰ যুগান্তকাৰী গ্ৰন্থ 'The General Theory of Employment, Interest and Money' প্ৰকাশ পোৱাৰ পৰৱৰ্তী কালছোৱাত সমষ্টিগত অৰ্থবিজ্ঞানৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পায় আৰু ইয়াৰ পৰিসৰেও বিস্তাৰ লাভ কৰে। তলত সমষ্টিগত অৰ্থবিজ্ঞানৰ অন্তৰ্গত বিভিন্ন বিষয় আৰু ইয়াৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰা হ'ল ঃ-

1. **জাতীয় আয়ৰ পৰিমাপ (Measurement of National Income) ঃ** জাতীয় আয় হ'ল এখন দেশৰ অৰ্থনৈতিক অৱস্থাৰ পৰিচায়ক। কেইন্সোত্তৰ কালছোৱাত অৰ্থনৈতিক চিন্তাধাৰাত জাতীয় আয় এটা মুখ্য সমষ্টিগত চলক হিচাপে পৰিগণিত হৈছে। সমষ্টিগত অৰ্থবিজ্ঞানত জাতীয় আয়ৰ মূল নিৰ্ধাৰকসমূহ, ইয়াৰ পৰিমাপৰ বিভিন্ন পদ্ধতিসমূহ যেনে - উৎপাদন পিয়ল পদ্ধতি, আয় পিয়ল পদ্ধতি আৰু ব্যয় পিয়ল পদ্ধতি, জাতীয় আয় নিৰূপণৰ তাৎপৰ্য্য আৰু ইয়াৰ সমস্যা ইত্যাদিৰ বিষয়ে আলোচনা কৰা হয়।
2. **মুদ্ৰাস্ফীতি আৰু অৱস্ফীতি (Inflation and Deflation) ঃ** সমষ্টিগত অৰ্থবিজ্ঞানত এখন দেশৰ সাধাৰণ দৰস্তৰৰ হ্ৰাস-বৃদ্ধিৰ কাৰণ আৰু ইয়াৰ ফলাফলৰ বিষয়ে অধ্যয়ন কৰা হয়। মুদ্ৰাস্ফীতি আৰু অৱস্ফীতিৰ অধ্যয়ন এই অৰ্থবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্গত। এখন দেশৰ দ্ৰব্য-সামগ্ৰীৰ আৰু উৎপাদনৰ অবিৰত মূল্যবৃদ্ধিয়েই হ'ল মুদ্ৰাস্ফীতি। আনহাতে অৱস্ফীতি হ'ল মুদ্ৰাস্ফীতিৰ সম্পূৰ্ণ বিপৰীত পৰিঘটনা। সমষ্টিগত অৰ্থবিজ্ঞানত মুদ্ৰাস্ফীতি আৰু অৱস্ফীতিৰ বিভিন্ন কাৰণ, ইয়াৰ লগত জড়িত বিভিন্ন তত্ত্ব আৰু দুয়োৰে অৰ্থনীতিৰ ওপৰত প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হয়।
3. **বাণিজ্য চক্ৰ (Business Cycle) ঃ** সমষ্টিগত অৰ্থবিজ্ঞানৰ অন্তৰ্গত সমষ্টিগত চলকসমূহৰ উত্থান-পতনেই হ'ল বাণিজ্য চক্ৰ। এই সমষ্টিগত চলকসমূহ হ'ল মুঠ উৎপাদন, নিয়োগ, আয়, দৰস্তৰ ইত্যাদি। গতিকে বাণিজ্য চক্ৰই উৎপাদন, নিয়োগ, আয়, দৰস্তৰ ইত্যাদি সমষ্টিগত চলকৰ উত্থান-পতনৰ বিষয়টোক প্ৰতিনিধিত্ব কৰে। সমষ্টিগত অৰ্থবিজ্ঞানত বাণিজ্য চক্ৰৰ বিভিন্ন পৰ্য্যায়, বাণিজ্য চক্ৰৰ কাৰণ, ইয়াৰ বিভিন্ন তত্ত্ব, বাণিজ্য চক্ৰ নিয়ন্ত্ৰণৰ উপায় ইত্যাদিৰ অধ্যয়ন কৰা হয়।
4. **অৰ্থনৈতিক উন্নয়ন আৰু বিকাশ (Economic development and growth) ঃ** সমষ্টিগত অৰ্থবিজ্ঞানত অৰ্থনৈতিক উন্নয়ন আৰু অৰ্থনৈতিক বিকাশৰ বিষয়ে অধ্যয়ন কৰা হয়। সাধাৰণতে অৰ্থনৈতিক উন্নয়নৰ বিষয়টো উন্নয়নশীল অৰ্থনীতিৰ লগত জড়িত আৰু অৰ্থনৈতিক বিকাশৰ ধাৰণাটো উন্নত অৰ্থনীতিৰ লগত জড়িত হয়। এক সুস্থ আৰু সবল অৰ্থনৈতিক ভেঁটি প্ৰতিষ্ঠা কৰাৰ একমাত্ৰ উপায় হ'ল দেশৰ অৰ্থনৈতিক উন্নয়ন আৰু বিকাশ। সমষ্টিগত অৰ্থবিজ্ঞানত অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ বিভিন্ন দিশসমূহ